### জন্ম শতবৰ্ষ উপলক্ষে নতুন দিল্লীত বিশেষ আয়োজন

# সাহিত্য অকাডেমিৰ উদ্যোগত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কৰ্মশালা

## ড° বীৰেন্দ্ৰ ভট্টাচাৰ্যই অসমীয়া সাহিত্যক ভাৰতীয় সাহিত্যৰ সমতুল্য কৰি তুলিছিল ঃ দিগন্ত বিশ্ব শৰ্মা




**ষ্টাফ ৰিপৰ্টাৰ, ১৯ নৱেম্বৰ ঃ** জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি আজি সাহিত্য অকাডেমিয়ে আয়োজন কৰিলে বিশেষ আয়োজন। ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিকৰ উপস্থিতিত অনুষ্ঠিত এই স্মাৰক দুদিনীয়া কৰ্মশালাত ১৩ পৃষ্ঠাত

## সাহিত্য অকাডেমিৰ উদ্যোগত

জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্য চৰ্চা তথা অসমীয়া সাহিত্য জগতত তেওঁৰ বৰঙণিৰ ওপৰত বিস্তৃত আলোচনা হয়। সাহিত্য অকাডেমিৰ সভাপতি আৰু উপ-সভাপতিৰ লগতে বিশিষ্ট সাহিত্যিক তথা বক্তা দিগন্ত বিশ্ব শৰ্মা, বিশ্বাস পাটিল, কুল শইকীয়া, কৰবী ডেকা হাজৰিকা, মলয়া খাউণ্ড, ময়ূৰ বৰাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থকা কৰ্মশালাত সাহিত্য অকাডেমিৰ সভাপতি তথা সঞ্চালক ড° মাধৱ কৌশিকে জ্ঞানপীঠ বঁটা বিজয়ীগৰাকীৰ সাহিত্য চৰ্চাৰ বিভিন্ন দিশ উল্লেখ কৰে। আনহাতে, কৰ্মশালাখনৰ আদৰণী ভাষণ প্ৰদান কৰি বিশিষ্ট বক্তা দিগন্ত বিশ্ব শৰ্মাই ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসমীয়া সাহিত্যক ভাৰতীয় সাহিত্যৰ সমতুল্য কৰি তোলা বুলি উল্লেখ কৰে। তেওঁ কয় যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আধুনিক অসমীয়া সাহিত্যৰ সৃষ্টিকৰ্তাই নহয়, নতুন লেখকৰ বাবে তেওঁ আছিল প্ৰেৰণাদায়ক। জ্ঞানপীঠ বঁটা বিজয়ীগৰাকী আছিল আধুনিক ভাৰতৰ এনে এগৰাকী সাহিত্যিক, যিয়ে অসমৰ বহু প্ৰজন্মক প্ৰভাৱিত কৰিছিল। তেওঁৰ সৃষ্টি আছিল সম্পূৰ্ণ পৃথক। নতুন লেখকসকলক ৰামধেনুৰ জৰিয়তে অসমীয়া সাহিত্যত প্ৰৱেশ কৰোৱাই নহয়, সাহিত্যৰ পৰিবেশো সলনি কৰি দিছিল। সাহিত্য অকাডেমিৰ সভাপতি ড° মাধৱ কৌশিকে তেওঁৰ ভাষণত কয় যে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য এজন উৎকৃষ্ট মানৰ অসমীয়া সাহিত্যিকেই নহয়, তেওঁ আছিল এগৰাকী ভাৰতীয় সাহিত্যিক। তেওঁৰ সৃষ্টিশীল বৈচিত্ৰ্যতাত কোনো অসুবিধান নোহোৱাকৈ চিনাকি কৰাই দিব পাৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্যক ৰাষ্ট্ৰীয় স্তৰলৈ অনাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ প্ৰভাৱ আছিল। উল্লেখ্য যে বিশিষ্ট কবি, নাট্যকাৰ, অনুবাদক, সম্পাদক আৰু সাহিত্য সংগঠক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য উত্তৰ-পূবৰ পৰা সাহিত্য অকাডেমিৰ প্ৰথমজন সভাপতি আছিল। ড° ভট্টাচাৰ্য আধুনিক অসমীয়া সাহিত্যৰ প্ৰথমগৰাকী অসমীয়া সাহিত্যিক, যি ১৯৭৯ চনত তেওঁৰ উপন্যাস মৃত্যুঞ্জয়ৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল। সাহিত্য অকাডেমিয়ে এইজন বিশিষ্ট সাহিত্যিকৰ স্মৃতিত অনুষ্ঠিত কৰা কৰ্মশালাত দ্য ইণ্ডুৰিং লিগেচী অৱ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ভট্টাচাৰ্যছ কালচাৰেল এণ্ড ছ'চিয়েল ইমপেক্ট, ড° ভট্টাচাৰ্য ঃ শ্বেপিং মিডিয়া এণ্ড লিটাৰেৰী ফ্ৰণ্টিয়াৰ্ছৰ দৰে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰিব। আজিৰ কৰ্মশালাত অধ্যাপক ড° কুমুদ শৰ্মাই সামৰণী ভাষণত কয় যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত আছিল। সেইবাবে তেওঁ অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পৰিস্থিতি বুজি পাইছিল আৰু ভালদৰে বিশ্লেষণ কৰিবলৈ সক্ষম হৈছিল। দুদিনীয়া কৰ্মশালাৰ প্ৰথম দিনটোত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াই ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ লিগেচী অৱ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য শীৰ্ষক বিষয়ত আলোকপাত কৰে।